অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
AJBEC অজাবি শিক্ষা সংসদ
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ : এজবেক/সভা/৩৫/২০ তাৰিখ : ১২-১২-২০২০

## অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধি সভা, দুশৰো অধিক বিদ্যালয়ৰ অংশগ্ৰহণ।

**১২ ডিচেম্বৰ, গুৱাহাটী** : ৰাজ্যখনৰ ১৩ খন জিলাৰ জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে নুনমাটিস্থ অসম জাতীয় বিদ্যালয় প্ৰাংগণত আজি অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)ৰ প্ৰথমখন প্ৰতিনিধি সভা অনুষ্ঠিত হয় আৰু ইয়াত দুশৰো অধিক বিদ্যালয়ৰ পৰা অহা প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে দ্বিতীয় প্ৰতিনিধি সভাখন অহা ১৯ ডিচেম্বৰত অনুষ্ঠিত হ'ব। আজি অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত অসমৰ জাতীয় বিদ্যালয়সমূহৰ প্ৰতিবেদন দাখিল সম্পৰ্কীয় কথা, পাঠ্যপুথি বিতৰণ, নতুন শিক্ষাবৰ্ষৰ আঁচনি, জিলা সমিতি গঠন, পৰীক্ষা ব্যৱস্থা, অজাবিৰ নীতি-নিৰ্দেশনা পালন কৰা নকৰাৰ বিষয়, শিক্ষক প্ৰশিক্ষণ আৰু এজবেকৰ ভৱিষ্যত কাৰ্যসূচী সম্পৰ্কে বিতংভাৱে আলোচনা হয়। ৰাতিপুৱা ১০ বজাৰ পৰা আবেলি ২.৩০ বজালৈকে অনুষ্ঠিত হোৱা এই সভাত সভাপতিত্ব কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সভাপতি ৰঞ্জিত নাৰায়ণ ডেকাই। কভিড-১৯ মহামাৰীত স্বৰ্গগামী হোৱা সকলোৰে প্ৰতি শ্ৰদ্ধা জনাই এক মিনিটৰ বাবে মৌন প্ৰাৰ্থনা জনাই সভাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে এজবেকৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই। জাতীয় বিদ্যালয় সংগীত পৰিৱেশন কৰাৰ পিছতেই এজবেকৰ বিষয়ববীয়া আৰু প্ৰতিনিধিসকলৰ চিনাকি পৰ্ব অনুষ্ঠিত হয়। ইয়াৰ পিছতেই অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে বাৰ্ষিক প্ৰতিবেদন প্ৰদান আৰু পৰ্য্যালোচনাৰ অগ্ৰগতি আৰু পাঠ্যপুথি বিতৰণ সন্দৰ্ভত বক্তব্য আগবঢ়ায় আৰু সভাত উপস্থিত সকলো প্ৰতিনিধিকে কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰ পিছতে উপাধ্যক্ষ আৰু এজবেকৰ কাৰ্য্যনিৰ্বাহক ৰবীন্দ্ৰ বৰ্মনে প্ৰতিবেদন জমা নিদিয়া বিদ্যালয়সমূহক দিবলগীয়া পত্ৰ সন্দৰ্ভত ভাষণ আগবঢ়ায় আৰু জনায় যে যিসমূহ বিদ্যালয়ে এতিয়ালৈকে প্ৰতিবেদন জমা দিয়া নাই, সেইবোৰ বিদ্যালয়লৈ পত্ৰ প্ৰেৰণ কৰা হ'ব। ইয়াৰ পিছতেই প্ৰাক্তন অধ্যক্ষ তথা শিক্ষক প্ৰশিক্ষণ সমন্বয়ক অপৰাজিতা দত্তই এজবেক শিক্ষণ প্ৰশিক্ষণ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। লগতে জনায় যে অহা ১৬ ডিচেম্বৰৰ পৰা ২৩ ডিচেম্বৰলৈ এক অনলাইন শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হ'ব আৰু এই বিষয়ে বিভিন্ন জিলা সমিতিক অৱগত কৰোৱা হৈছে। ইয়াৰ মাজতেই এই বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান লাভ কৰা বিদ্যালয় বঢ়মপুৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ মোজামিল হুছেইনক সম্বৰ্ধনা জনোৱা হয়। বিভিন্ন বিদ্যালয়ৰ পৰা অহা প্ৰতিনিধিসকলে নিজৰ বক্তব্য তথা মতামত আগবঢ়ায়, বহু গুৰুত্বপূৰ্ণ দিশ আঙুলিয়াই দিয়ে আৰু এই বিষয়ে বিতংভাৱে আলোচিত হয়। ইয়াৰ পিছতেই এজবেকৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই বক্তব্য আগবঢ়ায় আৰু এজবেকৰ সভাত প্ৰতিনিধিসকলৰ সক্ৰিয় সহযোগৰ লগতে জিলা সমন্বয়ৰক্ষী সমিতিসমূহৰ কাম-কাজ অধিক সক্ৰিয়ভাৱে আগবঢ়াই নিবলৈ সকলোকে আহ্বান জনায়। ভাষণ প্ৰসংগত তেখেতে উল্লেখ কৰে যে পৰৱৰ্তী সময়ত সাংগঠনিক ক্ষেত্ৰ মজবুত কৰাৰ কাৰণে এখন সাধাৰণ পৰিষদ গঠন কৰা হ'ব আৰু এই পৰিষদত জিলা সমিতিৰ সদস্য অন্তৰ্ভুক্ত হ'ব। সভাত এজবেকৰ কাৰ্য্যকৰী সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় এজবেকৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই। জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰা আৰু পৰীক্ষা নিয়ন্ত্ৰক উদয়া ফুকনে সভাৰ বিস্তৃত কাৰ্য্যবিৱৰণী লিপিবদ্ধ কৰি ৰাখে। অসম সংগীত পৰিৱেশনৰ পিছতেই এই প্ৰথম প্ৰতিনিধি সভাৰ অন্ত পৰে।